**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থ বৰ্ষৰ সৈতে সংগতি ৰাখি কালিৰে পৰা অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত লখিমপুৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। লখিমপুৰ কমাৰ্চ কলেজৰ ক্ৰীড়া চৌহদত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে ১০ দিনীয়া গ্ৰন্থমেলাখন কালি উদ্বোধন কৰা হয়। বিয়লি জুবিন গাৰ্গ সোঁৱৰণী অস্থায়ী প্ৰেক্ষাগৃহত শিক্ষা মন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে গ্ৰন্থৰ জৰিয়তে জ্ঞান আৰু প্ৰজ্ঞাৰ অধিকাৰী হ'ব পাৰি বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে ভাষাৰ উচ্চাৰণ আৰু লিখাৰ ক্ষেত্ৰত সাৱধান হ'বলৈ সকলোকে আহ্বান জনায়। তেওঁ কয়, যে শৰীৰটোক সুস্থ কৰি ৰাখিবলৈ যিদৰে ব্যায়ামৰ প্ৰয়োজন তেনেদৰে সুস্থ মানসিক বিকাশৰ বাবে গ্ৰন্থ অধ্যয়ন নিতান্তই প্ৰয়োজনীয়। অনুষ্ঠানত অংশ লৈ পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষালে সভ্যতাৰ মাপকাঠি হিচাপে গ্ৰন্থই জ্ঞানৰ দিগদৰ্শন কৰে বুলি মন্তব্য কৰে। অনুষ্ঠানত অংশ লৈ লখিমপুৰৰ বিধায়ক মানৱ ডেকাই এই গ্ৰন্থমেলাৰ আয়োজনে লখিমপুৰবাসীক উপকৃত কৰিব বুলি মত প্ৰকাশ কৰে। মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অৰূপজ্যোতি চৌধুৰীয়ে শিশুৰ মনত গ্ৰন্থৰ প্ৰতি আগ্ৰহ জন্মাবলৈ অভিভাৱক আৰু শিক্ষক সমাজক আহ্বান জনায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিভাষ চৌধুৰীয়ে এই অনুষ্ঠানত অংশ লৈ অসমত গ্ৰন্থ আন্দোলনে নতুন ৰূপত প্ৰাণ পাইছে বুলি উল্লেখ কৰে। কালিৰ উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০০

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, সুৰকাৰ, গীতিকাৰ, সংগীত শিল্পী ছৈয়দ ছাদুল্লাৰ ডিব্ৰুগড়ৰ নালীয়াপুলৰ বাসগৃহত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। দুয়োগৰাকীয়ে শিল্পী ছৈয়দ ছাদুল্লাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে শিল্পীগৰাকীৰ পৰিয়ালৰ সৈতে মত বিনিময় কৰে। সাংবাদিকৰ আগত শ্ৰীসোণোৱালে এইদৰে মতপ্ৰকাশ কৰে।

*ঃ বাইট ঃ*

কৃষিমন্ত্ৰী অতুল বৰাইয়ো কালি প্ৰয়াত ছৈয়দ ছাদুল্লাৰ বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। একেদৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়েও শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁলৈ শ্ৰদ্ধা নিবেদন কৰে। সাংসদ গগৈয়ে প্ৰয়াত শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোক-সন্তপ্ত পৰিয়ালৰ সৈতে মত বিনিময় কৰে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, ঘোষক, গীতিকাৰ, সুৰকাৰগৰাকীৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হৈছিল।

০০০০০০

অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত শান্তি-সম্প্ৰীতিৰ পৰিৱেশ সুদৃঢ় কৰি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে অসম চৰকাৰৰ সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ উদ্যোগত ধেমাজি জিলা প্ৰশাসন আৰু প্ৰতিবেশী ৰাজ্যখনৰ নামনি

চিয়াং জিলা প্ৰশাসনৰ সহযোগত সীমান্ত সমন্বয় সমাৰোহ কালি অনুষ্ঠিত হয়। ধেমাজি জিলাৰ চিলাপথাৰত আয়োজিত এই সমাৰোহত অংশ লৈ মন্ত্ৰী অতুল বৰাই কয়, যে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সদিচ্ছা আৰু একান্ত আগ্ৰহৰ বাবে এই সমাৰোহৰ আয়োজন কৰা হৈছে। ইতিমধ্যে প্ৰতিবেশী ৰাজ্য দুখনৰ মাজত সীমা সমস্যা সমাধানৰ পথ প্ৰশস্ত হৈছে আৰু সীমান্তবৰ্তী অঞ্চলসমূহত শান্তি-সম্প্ৰীতিৰ নতুন বাতাবৰণৰ সৃষ্টি হৈছে বুলি তেওঁ উল্লেখ কৰে। এই সমাৰোহৰ জৰিয়তে অসম আৰু অৰুণাচল প্ৰদেশৰ সীমামূৰীয়া এলেকাত উন্নয়ন আৰু ব্যৱসায় বাণিজ্য ত্বৰান্বিত কৰাৰ লগতে সীমান্তৱৰ্তী এলেকাৰ পৰ্যটন উদ্যোগক উদগনি যোগোৱাৰে প্ৰয়াস কৰা হৈছে বুলি শ্ৰীবৰাই কয়।

০০০০০০

জনজাতিকৰণৰ দাবীত কালি উজনি অসমৰ কেইবাখনো জিলাত  টাই আহোম আৰু চুতীয়া জনগোষ্ঠীৰ দল-সংগঠন আৰু সাধাৰণ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰত টাই আহোম যুৱ পৰিষদে জোঁৰ সমদল উলিয়াই জনজাতিকৰণ আৰু স্বায়ত্ত শাসনৰ দাবী কৰে। ডিব্ৰুগড়তো টাই আহোম যুৱ পৰিষদে কালি চৌকিডিঙি খেলপথাৰৰ পৰা থানা চাৰিআলিলৈ জোঁৰ সমদল উলিয়াই প্ৰতিবাদ সাব্যস্ত কৰে। একেদৰে চৰাইদেউটো জনগোষ্ঠীৰটোৰ বহুলোকে প্ৰতিবাদত অংশ লয়। ইপিনে, গোলাঘাট, যোৰহাট, ধেমাজি আৰু তিনিচুকীয়া জিলাত চুতীয়া জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত চুতীয়া জাতি সন্মিলনে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। গোলাঘাটৰ মেৰাপানী, সৰুপথাৰ, বৰপথাৰকে ধৰি বিভিন্ন স্থানত ১০ হাজাৰৰো অধিক লোকে প্ৰতিবাদত অংশ লয়।

০০০০০০

সমাপ্ত